## জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

নং ঃ ১২৬/২০২০

### ৰাজ্য চৰকাৰে ঘোষণা কৰা লক ডাউন নিজৰ এলেকাত সম্পূৰ্ণৰূপে বলবৎ কৰাৰ বাবে উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকসকলক মুখ্যমন্ত্ৰী সোণোৱালৰ নিৰ্দেশ

**অত্যাৱশ্যকীয় সামগ্ৰী পৰ্যাপ্ত পৰিমাণে উপলবদ্ধ কৰাৰ উপৰি ব্যৱসায়ী সকলে যাতে কৃত্ৰিম নাটনিৰ সৃষ্টি কৰিব নোৱাৰে তাৰ নিশ্চিতকৰণৰ পদক্ষেপ ল'বলৈও মুখ্যমন্ত্ৰীৰ নিৰ্দেশ**

**দিছপুৰ, ২৩ মাৰ্চ ঃ** ক'ভিড-১৯ ভাইৰাছৰ প্ৰাদুৰ্ভাবৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ৰাজ্যখনৰ জিলাসমূহৰ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকৰ সৈতে ভিডিঅ' কনফাৰেঞ্চিঙৰ জৰিয়তে পৰিস্থিতিৰ পৰ্যালোচনা কৰে। মুখ্যমন্ত্ৰীয়ে জিলা উপায়ুক্ত আৰু আৰক্ষী অধীক্ষক সকলক তেওঁলোকৰ জিলা সমূহৰ পৰিস্থিতিৰ সুক্ষ্ম পৰ্যালোচনা কৰাৰ উপৰি ৰাজ্য চৰকাৰৰ দ্বাৰা ঘোষণা কৰা লক ডাউন সম্পূৰ্ণৰূপে বলবৎ কৰাৰ বাবেও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে তেওঁলোকৰ আওতাত পৰা এলেকা সমূহ সুক্ষ্মভাৱে নিৰীক্ষণ কৰাৰ উপৰি জনসাধাৰণৰ সুবিধাৰ্থে যাতে অত্যাৱশ্যকীয় সা-সামগ্ৰীসমূহ পৰ্যাপ্ত পৰিমাণে উপলব্ধ কৰাৰ পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে বিষয়ববীয়া সকলক ব্যৱসায়সকলৰ ওপৰত চোকা দৃষ্টি ৰখাৰ বাবেও নিৰ্দেশ দিয়ে যাতে অত্যাৱশ্যকীয় সামগ্ৰীৰ কৃত্ৰিম নাটনি কৰিব নোৱাৰে। অত্যাৱশ্যকীয় সামগ্ৰীৰ যাতে মূল্যবৃদ্ধি নহয় তাৰ প্ৰতি তীক্ষ্ণ নজৰ ৰখাৰ বাবেও সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে।

ক'ভিড-১৯ ভাইৰাছে মানৱ সমাজৰ প্ৰতি সৃষ্টি কৰা ভয়াৱহতাৰ দিশটোৰ প্ৰতি লক্ষ্য ৰাখি মুখ্যমন্ত্ৰীয়ে জনসাধাৰণক নিজ গৃহত আবদ্ধ হৈ থকাৰ বাবেও আহ্বান জনায়। এই ভাইৰাছৰ সংক্ৰমণ ৰোধ কৰাৰ বাবে সামাজিক দূৰত্ব আৰু সকলো প্ৰকাৰৰ জনসমাগমৰ পৰা আঁতৰি থকাটো অত্যন্ত জৰুৰী বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে জনসাধাৰণক এই দিশ দুটাৰ প্ৰতি সচেতন হোৱাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। ৰাইজৰ সহযোগিতাই নভেল কৰ'না ভাইৰাছৰ সংক্ৰমণ ৰোধ কৰিব পৰাৰ উপৰি সংক্ৰমণৰ ফলত হোৱা মৃত্যুৰ হাৰো বহু পৰিমাণে লাঘৱ কৰিব পৰা যায় বুলি মুখ্যমন্ত্ৰীয়ে কয়। ইয়াৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰীয়ে উপায়ুক্ত সকলক এই দিশত উপযুক্ত সজাগতা সৃষ্টিৰ বাবে গাঁওবুঢ়া, চাহ বাগিচাৰ লাইনৰ চৰ্দাৰ তথা অন্যান্য সংগঠন সমূহৰ সহায় লোৱাৰ বাবেও নিৰ্দেশ দিয়ে।

বিশ্বত অতিমাৰি ৰূপ লোৱা কভিড -১৯ এ সমগ্ৰ বিশ্বৰ ১৯৭ খন দেশলৈ ভাবুকি কঢ়িয়াই আনিছে বুলি উল্লেখ কৰি এই দিশত জনসাধাৰণক স্বাস্থ্যসন্মত বিধি, সামাজিক দূৰত্ব ইত্যাদি বজাই ৰখাৰ বাবেও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে এই দিশত ৰাজ্য চৰকাৰে প্ৰদান কৰা স্বাস্থ্যৰ পৰামৰ্শাৱলী আখৰে আখৰে পালন কৰাৰ বাবেও আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে জিলা উপায়ুক্তসকলক তেওঁলোকৰ প্ৰশাসন যন্ত্ৰক জনসাধাৰণক মাক্স পৰিধান, চাবোনেৰে হাত ধোৱা ইত্যাদিৰ দিশত সজাগ কৰাৰ পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে উপায়ুক্তসকলক অৱগত কৰে যে এই দিশত ক্ষিপ্ৰ

সঁহাৰি বাহিনী সকলোবোৰ জিলাতে গঠন কৰা হৈছে আৰু জিলা উপায়ুক্তসকলক তেওঁলোকৰ অধীনৰ জ্যেষ্ঠ বিষয়াসকলক অহৰ্নিশে পৰিস্থিতি পৰ্যবেক্ষণ কৰি থকাৰ পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে।

আজিৰ এই ভিডিঅ' কনফাৰেঞ্চিঙৰ সময়ত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, আইন উপদেষ্টা শান্তনু ভৰালী, মুখ্য সচিব কুমাৰ সঞ্জয়কৃষ্ণ, আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্ত, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়া, সচিবালয় প্ৰশাসন বিভাগৰ আয়ুক্ত সচিব এম অংগমুথু উপস্থিত থাকে।

**সুঃদঃ / বঃভাঃ / পুঃডেঃ**
**২৩/০৩/২০২০**